# গীত আৰু ছবি

দুৰ্গেশ্বৰ শৰ্মা

কোনেও সেইটি গীত ভাল নুবুলিব
যিটি গীত বুজাইছে বুজে;
কোনেও সেইটি ছবি ভাল নেদেখিব
যাব মূল আটায়ে নুবুজে।
যিটি দেখি সকলোৱে একে ৰং পায়,
জগতৰো উলাহ বঢ়ায়,
সিহে পায় নিজে নিজে আলাসত ঠাই
সকলোৱে ভাল বুলি কয়।
যিমান নুবুজা হওঁ তথাপি শুনিলে
ভাল গীতে হৃদয় জগাব,
যিমান নজনা হওঁ চকুত পৰিলে
ভাল ছবি মনত সোমাব।
সদায় চকুৰে দেখা গছ-পাতটিও
ছবিটিত ভাল হৈ পৰে,
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে।
মিহি ভাব মিহি গতি কৌশলী বিদ্যাৰ
নাই মৃত্যু অজৰ-অমৰ,
য'তে পৰে ত'তে গজে, বিভিন্ন আকাৰ,
ঠাই বুজি দীঘল-ডাঙৰ।

## কবি-পৰিচয় ঃ

**দুর্গেশ্বৰ শৰ্মা** (১৮৮২-১৯৬১)-ৰ জন্ম যোৰহাটৰ পটীয়াগাঁৱত। পিতৃৰ নাম কমলেশ্বৰ শৰ্মা। যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা ১৮৯৯ চনত এণ্ট্ৰেন্স পাছ কবি কোচবিহাৰ কলেজত নাম লগায়। ইয়াৰ পৰাই ১৯০৩ চনত বি. এ. আৰু ১৯০৬ চনত আইনৰ পৰীক্ষা পাছ কবি যোৰহাটতে ওকালতি আৰম্ভ কৰে। ১৯১১ চনত ই. এ. চি.-ৰূপে কামত যোগদান কৰি পৰৱৰ্তী সময়ত বিভিন্ন উচ্চ-পদবীলৈ পদোন্নতি লাভ কৰি অৱসৰ লয়। ১৯৬১ চনত গুৱাহাটীত তেওঁৰ মৃত্যু হয়। এগৰাকী কবি আৰু নাট্যকাৰ হিচাপে প্ৰসিদ্ধি লাভ কৰা দুৰ্গেশ্বৰ শৰ্মাৰ নাটককেইখন হৈছে— অমিত্ৰাক্ষৰ ছন্দত লিখা 'পাৰ্থ পৰাজয়' (১৯০৯), চেক্সপীয়েৰৰ 'এজ ইউ লাইক ইট'ৰ ভাঙনি 'চন্দ্ৰাৱলী' (১৯১০), 'পদ্মাৱতী', 'বালিবধ' আদি। কবিতাপুথি— 'অঞ্জলি' (১৯১০) আৰু 'নিবেদন' (১৯১৫)।

## পাঠবোধ ঃ

'গীত আৰু ছবি' কবিতাটোৰ জৰিয়তে কবিয়ে প্ৰকৃত গীত আৰু ছবিৰ সাৰ্বজনীন আবেদন আৰু মহত্ত্বৰ কথা কলাত্মক ৰূপত তুলি ধৰিছে।

**শব্দাৰ্থ আৰু টোকা ঃ**

অজৰ-অমৰ ঃ যাৰ জন্মও নাই, মৃত্যুও নাই; চিৰস্থায়ী।
আলাস ঃ আকাশ; শূন্য।
মিহি ঃ সূক্ষ্ম; নিমজ; পাতল।
মূল ঃ প্ৰধান; গুৰি; ঘাই কাৰণ; গুৰি কথা।

**প্ৰশ্নাৱলী**

**ভাব-বিষয়ক ঃ**

১। চমু উত্তৰ দিয়া ঃ
(ক) কেনে গীত আৰু কেনে ছবিক কোনেও ভাল নোবোলে?
(খ) সদায় কাণেৰে শুনা সৰু কথাটিয়ে কেনেকৈ আমাৰ প্ৰাণ টানি ধৰে?
(গ) কবিৰ মতে কোনবোৰ বস্তু অজৰ-অমৰ?
(ঘ) কেনেকুৱা গীত আৰু ছবিক সকলোৱে ভাল বুলি কয়?
(ঙ) 'সিহে পায় নিজে নিজে আলাসত ঠাই'—ইয়াত 'আলাস' শব্দটোৰ অৰ্থ কি?
২। ভাল গীত আৰু ছবিৰ মহত্ত্ব কেনেকুৱা—কবিতাটোৰ সহায়ত বুজাই লিখা।

৩। সদায় চকুৰে দেখা গছ পাতটিও ছবিত কিয় ভাল হৈ পৰে বুলি তুমি ভাবা? নিজৰ মতামত আগবঢ়োৱা।

৪। কেনেকুৱা গীত আৰু ছবিক কোনেও ভাল নোবোলে আৰু কোনবোৰ গীত আৰু ছবিক সকলোৱে ভাল বুলি আদৰি লৈ আলাসত ঠাই দিয়ে নিজৰ ভাষাৰে বৰ্ণনা কৰা।

৫। 'গীত আৰু ছবি' কবিতাটোৰ সাৰাংশ লিখা।

৬। ব্যাখ্যা কৰা ঃ

(ক) সদায় চকুৰে দেখা গছ-পাতটিও
ছবিটিত ভাল হৈ পৰে,
সদায় কাণেৰে শুনা সৰু কথাটিও
গীত হ'লে প্ৰাণ টানি ধৰে।

(খ) 'মিহি ভাব মিহি গতি কৌশলী বিদ্যাৰ
নাই মৃত্যু অজৰ-অমৰ
য'তে পৰে ত'তে গজে, বিভিন্ন আকাৰ
ঠাই বুজি দীঘল-ডাঙৰ।'

**ভাষা-বিষয়ক ঃ**

৭। সমাৰ্থক শব্দ লিখা ঃ

জগত; উলাহ; চকু; সৰু; ভাল; কাণ।

৮। বাক্য ৰচনা কৰা ঃ

কৌশলী বিদ্যা; অজৰ-অমৰ; আলাসত ঠাই; ডাঙৰ-দীঘল।

৯। বিপৰীত শব্দ লিখা ঃ

মিহি; প্ৰাণ; মৃত্যু; মূল; ক্ষুদ্ৰ।

● ● ●